আৰু সীতাক মিত্ৰ নামেৰে জনা যায়। একাদশ-
শতিকাৰ ৰজা অনৰথৰ (Anawratha) দিনত ইয়াক
ৰচনা কৰা হয়। অৱশেষত এই সংস্কৰণটো বাৰ্মাসকলৰ
মাজত অতিকৈ বিখ্যাত। কিন্তু বৰ্তমান অষ্টাদশ-
শতিকাৰ সাইলেংবজাৰ অয়ুথ্যাৰ দিনত সেই অঞ্চলত
ৰচনা কৰা ৰামায়ণ, যাভা- আৰু মলয়ৰ ৰামায়ণৰ
প্ৰভাৱ এই স্পষ্ট পৰিছে। বাৰ্মিজ নৃত্য, সাজ-সজ্জা
আদিৰ অন্তৰ্ভুক্তিয়ে এই ৰামকাহিনীক অন্য সংস্কৰণৰ
পৰা পৃথক কৰি এক অনন্য ৰূপ প্ৰদান কৰিছে।

মালয়েছিয়াত ৰামায়ণখন কথিত আৰু লিখিত দুই ৰূপতে লাভ কৰা যায়। হিকায়ত চেৰি ৰামখন কথিত আৰু লিখিত দুটা ৰূপতে লাভ কৰা যায়। আৰু অন্য এটা ৰূপ ৱেয়েং কুলিট (চিত্ৰাম) (Wayang kulit) ছায়াচিত্ৰৰ ৰূপতো দেখা যায়। মালয়েছিয়াত ৰামায়ণ বিনোদন আৰু সামাজিক শিক্ষা প্ৰদানৰ বাবেহে মূলতে ব্যৱহাৰ কৰা হয়।

হিকায়ত চেৰি ৰামখন সত্য, প্ৰেম আৰু স্বাৰ্থহীন ত্যাগৰ প্ৰতীক। এই সংস্কৰণত মূল সংস্কৃত ৰামায়ণৰ কাহিনীৰ লগতে মালয় প্ৰভাৱৰ সংমিশ্ৰণৰ দ্বাৰা অভিনৱ ৰূপ প্ৰদান কৰা হৈছে।

~~মালয়েছিয়াত ৰামায়ণৰ কাহিনীভাগ দুটা প্ৰকাৰে লাভ কৰা যায়।~~

ম্যানমাৰ (বাৰ্মা) যম জাতদৰ/যামায়ণ (Yama Zaledaw / Yamayana) বাৰ্মা সকলৰ মাজত ৰামায়ণৰ কাহিনী থেৰবাদ বৌদ্ধৰ জাতকৰ কাহিনী ৰূপেহে সমাদৃত, ইয়াত ৰামচন্দ্ৰক যম নামেৰে

বাবে গ্ৰন্থখন হিন্দুধৰ্মৰ পৰা পৃথক হৈ পৰিছে আৰু ই জাতকৰ কাহিনীত পৰিণত হৈছে। ইয়াত ৰামক গৌতম বুদ্ধৰ পূৰ্ব অৱতাৰ বুলি ইয়াত গ্ৰহণ কৰা হৈছে। অনামকং জাপমানচৌৱেন অৰ্থাৎ নাও কাকো আৰ নামৰ ৰাক্ষসৰ অৱতাৰ বুলি উল্লেখ কৰা হৈছে। গ্ৰন্থখনত গংগা নৈৰ পৰিবৰ্তে মেকং নৈৰ সৈতে সামঞ্জস্য ৰাখি কাহিনীভাগ আগবঢ়াই নিয়া হৈছে। এই গ্ৰন্থখনিৰ ৰচনাকাল হৈছে সপ্তদশ শতিকা।

মালয়েছিয়া – (a) Hikayat Seri Rama (হিকায়ৎ চেৰি ৰাম)

তামিল বণিকসকলৰদ্বাৰা ৰামায়ণৰ কাহিনীভাগ মালয়েছিয়ালৈ প্ৰসাৰিত হয়। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ অনুপ্ৰৱেশৰ লগে লগে ৰাম কাহিনী ইয়াত জনপ্ৰিয় হৈ পৰে। ৰামচন্দ্ৰ সত্য, ধৰ্মৰ প্ৰতীক হোৱা হেতুকে এই কাহিনীভাগ সকলোৱে আদৰি লয়। ত্ৰয়োদশৰ পৰা সপ্তদশ শতিকাৰ মাজৰ কালছোৱাত হিকায়ৎ নামেৰে এই কাহিনীভাগ ৰচনা কৰা হয়। হিকায়ৎ শব্দটো আৰবী শব্দ হ'লেও মলয় সাহিত্যৰ এক প্ৰকাৰ বুলি ইয়াক বিবেচনা কৰা হয়। চেমেং কুলিট হৈছে ৰামায়ণৰ কাহিনীৰ অন্য এক সংস্কৰণ যি থাইলেণ্ডৰপৰা মালয়েছিয়ালৈ প্ৰসাৰিত হৈছে

ধৰ্মাভিমুখী গতি বৃদ্ধি কৰিবলৈ ভগৱান বিষ্ণুৰে (Wisnu) অৱতাৰৰ ৰাজকুমাৰ ৰূপে জন্মগ্ৰহণ কৰে।

যাভা অঞ্চলত ৰামায়ণৰ কাহিনীসমূহ ৱেয়াং কুলিট (wayang kulit) অথবা পুতলা নাচৰ জৰিয়তে প্ৰদৰ্শিত হয়। এই পুতলা নাচৰ প্ৰদৰ্শনী কেইবানিশাও চলা দেখা যায়। ৰামায়ণ যাভাৰ প্ৰথম অৰ্ধাংশ সংস্কৃত ৰামায়ণৰ সৈতে প্ৰায় একেই। কিন্তু পিছৰ অৰ্দ্ধাংশৰ কাহিনীখিনি মূল ৰামায়ণতকৈ পৃথক হোৱা দেখা যায়। এই গ্ৰন্থখনিৰ এক বিশেষ পৰিৱৰ্তন হৈছে ইয়াত যাভা অঞ্চলৰ স্থানীয় শক্তিশালী দেৱ-দেৱতাসকলক অন্তৰ্ভুক্ত কৰা হৈছে।

লাওচ (Laos) – Phra Lak Phra Ram

দক্ষিণ পূব এছিয়াৰ এখন অন্যতম বিখ্যাত ৰাষ্ট্ৰ হৈছে লাওচ। এই ৰাষ্ট্ৰখন মেকং নদীৰ বাবে বিখ্যাত। ভিয়েন্টিয়েন হৈছে এই ৰাষ্ট্ৰৰ ৰাজধানী, লাওসকলৰ মাজত ফ্ৰা ৰামৰ কাহিনী অতি জনপ্ৰিয় আৰু ইয়াক তেওঁলোকে জাতীয় মহা-কাব্যৰূপে গ্ৰহণ কৰিছে। থেৰৱাদী বৌদ্ধ দেশ হোৱা

কম্বোডিয়াৰ ৰামায়ণৰ (Reamker) সীতা (Neang Seda) ই কিন্তু অগ্নিপৰীক্ষাত উত্তীৰ্ণ হৈ স্বামীৰ সৈতে অযোধ্যালৈ উভতি যোৱা নাই। সীতা স্বামীৰ প্ৰতি অসন্তুষ্ট হৈহে আৰু মহামুনিক বাল্মীকিৰ সৈতে আশ্ৰমত থাকিবলৈ গুচি গৈছে।

জাভা, ইণ্ডোনেচিয়া — Ramayana Jawa

ইণ্ডোনেচিয়া এখন বৃহৎ কলেৱৰৰ মুছলিম সাম্ৰাজ্য হ'লেও কিন্তু ৰামায়ণৰ কাহিনী ইয়াত অতিকৈ জনপ্ৰিয় হোৱা দেখা যায়। ইণ্ডোনেচিয়াৰ ৰামায়ণত ৰামৰ কাহিনী প্ৰায় ৪৭টা অধ্যায়ত বৰ্ণিত হৈছে। সেই অঞ্চলৰ লগত খাপ খুৱাই গ্ৰন্থখনত নামসমূহৰ পৰিবৰ্তন কৰা দেখা যায়। ৰামায়ণ জাৱা গ্ৰন্থখনিত য়োগ্যকাৰ্তা নামটোৱে অযোধ্যা নগৰখনক বুজাইছে। ৰাম আৰু ৰাৱণৰ যুদ্ধৰ বৰ্ণনাই গ্ৰন্থখনত বৰ্ণিত হৈছে। গ্ৰন্থখনিৰ প্ৰথম অধ্যায়টো হৈছে লহিৰ্ণ (Lahirnya) ৰাহৱণ (Rahwana) অৰ্থাৎ ৰাহৱণ বা ৰাৱণৰ জন্ম। সকলো ৰাজ্যক নিজৰ পৰাক্ৰমেৰে পৰাভূত কৰা ৰাৱণৰ

প্ৰাচীন ভাৰতীয় তথা এছীয় দেশসমূহৰ সংস্কৃতি তথা-উচ্চ আদৰ্শ সম্পৰ্কে ন ন তথ্য লাভ কৰিবলৈ এইসমূহৰ অধ্যয়ন অতিকৈ আৱশ্যকীয়। ইয়াৰোপৰি এই সমূহত আজিও গৱেষণাৰো যথেষ্ট থল থকা দেখা যায়।

কম্বোডিয়া — ৰিয়েমকেৰ (Reamker)

দক্ষিণপূব এছীয় ৰাষ্ট্ৰসমূহৰ ভিতৰত কম্বোডিয়াও এখন অন্যতম ৰাষ্ট্ৰ যিয়ে বৌদ্ধ থেৰবাদৰ নীতি অনুসৰণ কৰে। সেয়েহে এই ৰিয়েমকেৰত বৌদ্ধধৰ্মৰ যথেষ্ট প্ৰভাৱ পৰা দেখা যায়। ইয়াত ৰামচন্দ্ৰক ফ্ৰেয়ঃ ৰিয়েম (Phreah Ream) আৰু সীতাক নিয়েং সেদা (Neang Seda) নামেৰে জনা হৈছে। খেমাৰ (Khmera) সংস্কৃতিত এই একেই কাহিনী লাভ কৰা হৈছে। এই কাহিনীৰ উৎপত্তি ১৬/১৭ শতিকাত। মূল কাহিনীটোৰ বাহিৰেও ~~আমাৰ ৰামায়ণতকৈ~~, হনুমানৰ সৈতে মাছ লোকৰ কন্যা (মৎস্য-কন্যাৰ) প্ৰেম আকস্মিক মিলন (সম্বন্ধ) আদি এই গ্ৰন্থত আছে জনপ্ৰিয় অধ্যায়। (মূল ৰামায়ণত এই অধ্যায় লাভ কৰা দেখা নাই) অৱশ্যে প্ৰকৃত ৰামায়ণৰ কাহিনীৰ সৈতে এক বিশেষ বৈসাদৃশ্য (দেখা যায়। যেনে) হৈছে যে সে *

* হৈতে প্ৰায় একে। হনুমানৰ কেন্দ্ৰীয় চৰিত্ৰ হৈছে ফ্ৰেয়ঃ ৰিয়েম। যাক নিজৰ কোনো দোষ নথকা অৱস্থাতো ১৪ বছৰ কাল বনবাস দিয়া হয়। ৰাৱণ (Reap) সীতাক অপহৰণ কৰি লৈ যায় আৰু ৰাম [illegible]

The Rāma Katha in South East Asia:

ৰামায়ণ অৰ্থাৎ শ্ৰী ৰামচন্দ্ৰৰ কাহিনী তথা সেই বংশৰ মহান বীৰসকলৰ কাহিনী সেয়েই বিশ্বতে সমাদৃত এক মহাকাব্য। এই কাহিনীৰ সৃষ্টি ভাৰতবৰ্ষত হ'লেও এছিয়া মহাদেশৰ অন্যান্য দেশ-চীনতো ই সম্প্ৰসাৰিত হোৱা দেখা যায়। এই অদ্ভুত কাহিনী সংস্কৃতি, ধৰ্ম, বুৰঞ্জী তথা সাহিত্যৰেই এক অমূল্য সম্পদ। এই কাহিনীৰ জৰিয়তে প্ৰাচীন ভাৰতৰ মানুহে কি দৰে উন্নত জীৱনশৈলী তথা উচ্চ আদৰ্শৰে জীয়াই আছিল সেই সম্পৰ্কে তথ্য লাভ কৰিব পাৰি। সাংস্কৃতিক উপাদান তথা আদৰ্শৰ বৃহৎ বাহক এই মহাকাব্যৰ কাহিনীভাগে অন্যান্য দক্ষিণ পূব এছিয়াৰ দেশসমূহতো কি ধৰণৰ ৰূপত আত্মপ্ৰকাশ কৰিছে।

ফলস্বৰূপে দক্ষিণ পূব এছিয়া দেশসমূহতো প্ৰায় ৩০০ টাকৈ সংস্কৰণত এই গ্ৰন্থখন লাভ কৰা হৈছে।